# গুৱাহাটী উচ্চ ন্যায়ালয়

## (অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

## গোচৰ নং :চি.আৰ.পি (আই.কিউ)/১৮২/২০২৪

আশীষ দাস

পিতা–প্ৰয়াত তাৰিনি কান্ত দাস

গাঁও– গৰাজান,

মৌজা– চাইদুৰীয়া

ডাকঘৰ–গৰাজান বজাৰ

থানা–ৰূপহীহাট,

জিলা– নগাঁও, অসম

**বনাম**

আব্দুল হাই আৰু আন ২০ গৰাকী

পিতা–প্ৰয়াত হাফিজুদ্দিন,

গাঁও আৰু ডাকঘৰ–পূব ফুটলজাৰ,

থানা–ৰূপহীহাট, জিলা– নগাঁও, অসম পি.আই.এন–৭৮২১২৪

২) ছাইফুল ইছলাম

পিতা–প্ৰয়াত হাফিজুদ্দিন,

গাঁও আৰু ডাকঘৰ–পূব ফুটলজাৰ,

থানা–ৰূপহীহাট, জিলা– নগাঁও, অসম, পি.আই.এন–৭৮২১২৪

৩)   শ্বফিকুল ইছলাম

পিতা–প্ৰয়াত হাফিজুদ্দিন,

গাঁও আৰু ডাকঘৰ–পূব ফুটলজাৰ,

থানা–ৰূপহীহাট, জিলা– নগাঁও, অসম পি.আই.এন–৭৮২১২৪

৪) মোজিবুৰ ৰহমান

পিতা–প্ৰয়াত হাফিজুদ্দিন,

গাঁও আৰু ডাকঘৰ–পূব ফুটলজাৰ,

থানা–ৰূপহীহাট, জিলা– নগাঁও, অসম পি.আই.এন–৭৮২১২৪

৫) শ্বৰীফুল ইছলাম

পিতা–প্ৰয়াত হাফিজুদ্দিন,

গাঁও–পশ্চিম অমৰাকন্দা

ডাকঘৰ–গৰাজান

থানা–ৰূপহীহাট, জিলা– নগাঁও, অসম

পি.আই.এন–৭৮২১২৪

৬)ৰৌশন আফতাব

পিতা–প্ৰয়াত ৰিয়াজুল ইছলাম

গাঁও আৰু ডাকঘৰ–পূব ফুটলজাৰ,

থানা–ৰূপহীহাট, জিলা– নগাঁও, অসম

পি.আই.এন–৭৮২১২৪

৭) ৰছবিনা আকতাৰ

পিতা–প্ৰয়াত ৰিয়াজুল ইছলাম

গাঁও-তেলিয়া চাপৰি টুপ

ডাকঘৰ-চাইদৰি

থানা-ৰূপহীহাট, জিলা- নগাঁও, অসম

পি.আই.এন-৭৮২১২৫

৮) ৰৌশনাৰা বেগম

গাঁও - আধাখুণ্ডা

ডাকঘৰ-জুৰীয়া

থানা-জুৰীয়া, জিলা- নগাঁও, অসম

পি.আই.এন-৭৮২১২৪

৯) চামছুন নেহাৰ

পিতা-প্ৰয়াত হাফিজুদ্দিন,

গাঁও - পৰমাইভিতি

ডাকঘৰ-দগাওঁ

থানা-জুৰীয়া, জিলা- নগাঁও, অসম

পি.আই.এন-৭৮২১২৪

১০) জাইমন নেছা

স্বামী-প্ৰয়াত মহম্মদ আলী

পিতা-প্ৰয়াত হাফিজুদ্দিন,

গাঁও আৰু ডাকঘৰ-পূব ফুটলজাৰ,

থানা-ৰূপহীহাট, জিলা- নগাঁও, অসম

পি.আই.এন-৭৮২১২৪

১১) মর্জিনা বেগম

গাঁও-বেগেনাটি

ডাকঘৰ-নগাঁও

থানা-নগাঁও সদৰ

জিলা- নগাঁও, অসম

পি.আই.এন-৭৮২০০১

১২) মনুৱাৰা বেগম

পিতা-প্ৰয়াত হাফিজুদ্দিন,

গাঁও-ফকলি

থানা-ৰূপহীহাট, জিলা- নগাঁও, অসম

পি.আই.এন-৭৮২১২৫

১৩) নূৰ জাহান বেগম

স্বামী-প্ৰয়াত গিয়াছুদ্দিন

১৪) ৰৌশনাৰা বেগম

পিতা-গিয়াছুদ্দিন

স্বামী-প্ৰয়াত ইছমাইল হোছেইন

১৫) চামছুল আলম

পিতা-গিয়াছুদ্দিন

১৬) চামছুল হক

পিতা-গিয়াছুদ্দিন

ক্ৰমিক নম্বৰ-১৩ ৰ পৰা ১৬ লৈ সকলো

গাঁও-পশ্চিম অমৰাকন্দাৰ বাসিন্দা

ডাকঘৰ-গৰাজান,

থানা-ৰূপহীহাট,

জিলা- নগাঁও, অসম

পি.আই.এন-৭৮২১২৪

১৭) চামচুল হুদা

পিতা-প্ৰয়াত গিয়াছুদ্দিন

গাঁও আৰু ডাকঘৰ-পূব ফুটলজাৰ,

থানা-ৰূপহীহাট, জিলা- নগাঁও, অসম

পি.আই.এন-৭৮২১২৪

১৮) ফইজুল হক

পিতা-প্ৰয়াত গিয়াছুদ্দিন

গাঁও আৰু ডাকঘৰ-পূব ফুটলজাৰ,

থানা-ৰূপহীহাট, জিলা- নগাঁও, অসম

পি.আই.এন-৭৮২১২৪

১৯) জাহিৰুল হক

পিতা-প্ৰয়াত গিয়াছুদ্দিন

গাঁও-পূব ফুটলজাৰ,

ডাকঘৰ-পশ্চিম ফুটলজাৰ,

থানা-ৰূপহীহাট, জিলা- নগাঁও, অসম

পি.আই.এন-৭৮২১২৪

২০ ) মৃতুঞ্জয় দাস

পিতা-প্ৰয়াত ৰাজেন্দ্ৰ দাস

গাঁও- গৰাজান,

ডাকঘৰ-গৰাজান

থানা-ৰূপহীহাট,

জিলা- নগাঁও, অসম

২১) মানিক দাস

পিতা- প্ৰয়াত উপেন্দ্ৰ দাস

গাঁও- গৰাজান,

ডাকঘৰ-গৰাজান

থানা-ৰূপহীহাট,

জিলা- নগাঁও, অসম

**বিচাৰপীঠত উপস্থিত আছে**

**মহামান্য ন্যায়াধীশ শ্ৰীযুত সঞ্জয় কুমাৰ মেধি**

**<u>ৰায় আৰু আদেশ</u>**

আবেদনকাৰীৰ অধিবক্তা: শ্ৰী এইচ. আৰ. চৌধুৰী, অধিবক্তা

শুনানিৰ তাৰিখ: **০৭.০৬.২০২৪**

ৰায়দানৰ তাৰিখ: **০৭.০৬.২০২৪**

আবেদনকাৰীৰ হৈ উপস্থিত থকা বিজ্ঞ অধিবক্তা শ্ৰী এইচ. আৰ. চৌধুৰীৰ যুক্তি সমূহ শুনা হ'ল। এই আবেদনখন তেওঁ ভাৰতীয় সংবিধানৰ ২২৭ নং অনুচ্ছেদৰ লগতে দেৱানী কাৰ্যবিধি আইনৰ ১৫১ নং ধাৰাত দাখিল কৰিছে য'ত স্বত্ব কাৰ্য্যকৰীকৰণ গোচৰ নং ০৩/২০২২ৰ পৰা উদ্ভৱ হোৱা এম. জে. গোচৰ নং ১৫১/২০২২ত ২নং মুনচিফ, নগাঁও এ ১৪.১১.২০২৩ তাৰিখে প্ৰদান কৰা আদেশক প্ৰত্যাহ্বান জনোৱা হৈছে।ওপৰোক্ত আদেশৰ দ্বাৰা আবেদনখন নাকচ কৰা হৈছে।

২) এই আবেদনত উপস্থাপন কৰা তথ্যসমূহ হ'ল যে স্বত্ব গোচৰ নং ৪৩/১৯৯৮ ত ২৩.০৯.২০০৫ তাৰিখৰ ৰায় আৰু ডিক্ৰীৰ সন্দৰ্ভত স্বত্ব কাৰ্য্যকৰীকৰণৰ গোচৰ ০৩/২০২২ উত্থাপন কৰা হৈছে। উক্ত ৰায় আৰু ডিক্ৰীটো এই আদালতৰ সন্মুখত দ্বিতীয় আপীল আৰ. এছ. এ. ১০৩/২০০৯ আৰু স্বত্ব আপীল নং ৩৬/২০০৫ত প্ৰত্যাহ্বানৰ বিষয় আছিল। ইয়াৰ পিছত কাৰ্যকৰীকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছিল। বৰ্তমানৰ আবেদনকাৰীজন গোচৰৰ পক্ষ নাছিল বুলি যুক্তি দিয়া হৈছে আৰু সেয়েহে তেওঁ দেৱানী কাৰ্যবিধি আইনৰ আদেশ ২১, নিয়ম ২৬, ৯৭, ৯৮ লগতে ধাৰা ১৫১ৰ অধীনত আবেদন দাখিল কৰিছিল, যিটো এম. জে. গোচৰ নং ১৫১/২০২২ হিচাপে

পঞ্জীয়ন কৰা হৈছিল। যুক্তি প্ৰদৰ্শন কৰা হৈছে যে যদিও প্ৰথম অৱস্থাত অন্তৰ্বৰ্তীকালীন স্থগিতাদেশ আছিল, কিন্তু ১৪.১১.২০২৩ তাৰিখৰ বিবাদিত আদেশৰ ভিত্তিত উক্ত এম. জে. গোচৰ নং ১৫১/২০২২ খাৰিজ কৰা হয়।

৩) আবেদনকাৰীৰ বিদ্বান অধিবক্তাই কয় যে বিবাদিত মাটিখিনিত আবেদনকাৰীৰ বাসগৃহ আছে আৰু যদিহে ৰায়দান কাৰ্যকৰীকৰণ কৰা হয়, তেন্তে তেওঁৰ অপূৰণীয় ক্ষতি হ'ব আৰু আৰু আঘাত পাব সেয়েহে তেওঁ ১৪.১১.২০২৩ তাৰিখৰ বিবাদিত আদেশত হস্তক্ষেপৰ বাবে প্ৰাৰ্থনা কৰিছে।

৪. বিদ্বান অধিবক্তাই লেখ আবেদন (দেৱানী)/৩৭/২০১৭ ত মহামান্য ছিকিম উচ্চ ন্যায়ালয়ৰ ২৫.০৮.২০২৩ তাৰিখৰ ৰায়দানৰ ওপৰতো নিৰ্ভৰ কৰিছে আৰু যুক্তি দিছে যে একে পৰিস্থিতিত সকাহ দিয়া হৈছিল।

৫. আগবঢ়োৱা যুক্তিসমূহ যথাযথভাৱে বিবেচনা কৰা হৈছে।

৬. ১৪.১১.২০২৩ তাৰিখৰ বিবাদিত আদেশটো পঢ়ি দেখা যায় যে আবেদনকাৰীয়ে এম. জে. গোচৰ নং ১৫১/২০২২ দাখিল কৰি পূৰ্বতে উল্লেখ কৰা আইনৰ বিধানসমূহৰ আশ্ৰয় লোৱাৰ উপৰিও স্বত্ব গোচৰ নং ২৩৫/২০২২ ও দাখিল কৰিছে। দেৱানী কাৰ্যবিধি আইনৰ আদেশ ২১ নিয়ম ১০১ ত স্পষ্ট ভাবে নিৰ্ধাৰণ কৰে হৈছে যে নিয়ম ৯৭ বা নিয়ম ৯৯ৰ অধীনত আবেদন প্ৰক্ৰিয়াত পক্ষসমূহৰ মাজত উদ্ভৱ হোৱা সকলো প্ৰশ্ন আবেদনখনৰ সৈতে জড়িত আদালতে নিৰ্ধাৰণ কৰিব লাগিব পৃথক গোচৰৰ দ্বাৰা নহয়। দেখা গৈছে যে আবেদনকাৰীয়ে পৃথক গোচৰ দাখিল কৰিবলৈ সিদ্ধান্ত লৈছিল, যিটো হৈছে ওপৰত উল্লেখ কৰা স্বত্ব গোচৰ নং ২৩৫/২০২২।

৭. দেখা যায় যে বিদ্বান মুনচিফ গৰাকীয়ে ওপৰত উল্লেখিত স্বতন্ত্ৰ গোচৰটো বিবেচনা কৰিছিল য'ত আবেদনকাৰীয়ে কিছুমান বিশেষ কাৰ্য্য বন্ধ কৰিবলৈ আদালতৰ

আদেশকে ধৰি প্ৰাৰ্থনা কৰাৰ সকলো অধিকাৰ থাকে যিটো হয়তো তেওঁ কৰিছিল আৰু সফল হোৱা নাছিল।

৮. ভাৰতীয় সংবিধানৰ ২২৭ নং অনুচ্ছেদৰ অধীনত প্ৰদান কৰা ক্ষেত্ৰাধিকাৰ হৈছে এক তত্বাৱধায়ক ক্ষেত্ৰাধিকাৰ য'ত এই ন্যায়ালয়ে তত্বাৱধান কৰিব লাগে যে নিম্ন আদালতে গৃহীত কৰা আদেশ আইন অনুসৰি হৈছে নে নাই আৰু প্ৰদান কৰা ক্ষেত্ৰাধিকাৰৰ ভিতৰত আছে নে নাই। উক্ত ক্ষমতাসমূহ সীমিতভাৱে ব্যৱহাৰ কৰিব লাগে, নিয়মীয়াভাৱে নহয়।

৯. মহামান্য উচ্চতম ন্যায়ালয়ে **গাৰ্মেণ্ট ক্ৰাফ্ট বনাম প্ৰকাশ চান্দ গোৱেল** গোচৰত (২০২২) ৪ এছ.চি.চি ১৮১,) পূৰ্বৰ গোচৰসমূহৰ বিষয়ে আলোচনা কৰাৰ পিছত, ভাৰতীয় সংবিধানৰ ২২৭ নং অনুচ্ছেদৰ অধীনত বিচাৰ ক্ষমতা প্ৰয়োগৰ দিশটোৰ ওপৰত নিম্নলিখিত ধৰণে নিৰ্ধাৰণ কৰিছে :

"*১৫. পক্ষসমূহৰ অধিবক্তাৰ শুনানি গ্ৰহণ কৰাৰ পিছত আমি স্পষ্টভাৱে মতপোষণ কৰিছো যে বিবাদিত আদেশটো আইনৰ বিপৰীত আৰু ইয়াক কেইবাটাও কাৰণত বাহাল ৰাখিব নোৱাৰি, ইয়াৰ ভিতৰত মুখ্য কাৰণ হৈছে ভাৰতীয় সংবিধানৰ ২২৭ নং অনুচ্ছেদৰ অধীনত উচ্চ ন্যায়ালয়ৰ যি সীমিত ক্ষমতা আছে, সেই সীমিত ক্ষমতাৰ পৰা এই আদেশৰ বিচ্যুতি বা অপব্যৱহাৰ। তত্বাৱধায়ক অধিকাৰ প্ৰয়োগ কৰা উচ্চ ন্যায়ালয়ে প্ৰত্যাহ্বানৰ অধীনত থকা বিষয়টো প্ৰমাণ বা তথ্যৰ ওপৰত ভিত্তি কৰি পুনৰ মূল্যায়ন, পুনৰ বিবেচনা কৰিবলৈ প্ৰথম আপীল আদালত হিচাপে কাম নকৰে। উচ্চ ন্যায়ালয়ৰ তত্বাৱধায়ক অধিকাৰক্ষেত্ৰই নিম্ন আদালতে কৰা প্ৰতিটো তথ্যৰ ভুল বা আনকি আইনী ভুলৰো শুধৰণি কৰিব নোৱাৰে। ই তেতিয়াহে পদক্ষেপ গ্ৰহণ কৰে যেতিয়া নিম্ন আদালতৰ চূড়ান্ত সিদ্ধান্ত বা তথ্য স্পষ্টভাৱে অযুক্তিকৰ হয় বা আইনৰ*

দ্বাৰা সমৰ্থিত হ'ব নোৱাৰে। তথ্য আৰু সিদ্ধান্তৰ ক্ষেত্ৰত নিম্ন আদালত বা ন্যায়াধিকৰণৰ সিদ্ধান্তৰ ঠাইত নিজৰ সিদ্ধান্ত লোৱাৰ কৰ্তৃত্ব উচ্চ ন্যায়ালয়ৰ নাই। কৰ্তব্যৰ প্ৰতি গুৰুতৰ অৱহেলা, ক্ষমতাৰ অপব্যৱহাৰ, বা মৌলিক আইনী নীতি বা ন্যায়ৰ উলংঘা আদি উল্লেখযোগ্য ভুল শুধৰাবলৈ ইয়াক ব্যৱহাৰ কৰা হয়। ২২৭নং অনুচ্ছেদৰ অধীনত ক্ষমতা উপযুক্ত ক্ষেত্ৰত সীমিতভাৱে প্ৰয়োগ কৰা হয়, যেনে যেতিয়া ন্যায্যতা প্ৰদান কৰিবলৈ একেবাৰেই কোনো প্ৰমাণ নাথাকে, বা তথ্যটো ইমান বিকৃত হয় যে কোনো যুক্তিসংগত ব্যক্তিয়ে সম্ভৱতঃ আদালত বা ন্যায়াধিকৰণে লোৱা সিদ্ধান্তত উপনীত হ'ব নোৱাৰে। উচ্চ ন্যায়ালয়ে নিজৰ ক্ষমতা সযতনে ব্যৱহাৰ কৰি ন্যায় সঠিকভাৱে প্ৰদান কৰাটো নিশ্চিত কৰিব লাগে আৰু ইয়াক ক্ষতিগ্ৰস্ত কৰিব নালাগে।

১৬. ২২৭ নং অনুচ্ছেদৰ অধীনত অধিকাৰক্ষেত্ৰৰ পৰিসৰ ব্যাখ্যা কৰি এই আদালতে এষ্ট্ৰেলা ৰাবাৰ বনাম দাছ এষ্টেট (পি) লিমিটেড গোচৰতত এনেদৰে লক্ষ্য কৰিছে: (এছ.চি.চি. পৃ. ১০১-১০২, দফা-৬)

৬) ভাৰতীয় সংবিধানৰ ২২৭ নং অনুচ্ছেদৰ অধীনত উচ্চ ন্যায়ালয়ে প্ৰয়োগ কৰা ক্ষমতা আৰু অধিকাৰক্ষেত্ৰৰ পৰিসৰ সম্পৰ্কে এই আদালতৰ কেইবাটাও ৰায়দানত পৰীক্ষা আৰু ব্যাখ্যা কৰা হৈছে।এই অনুচ্ছেদৰ অধীনত ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ৰ কৰ্তব্য হ'ল নিম্ন আদালত আৰু ন্যায়াধিকৰণসমূহক তেওঁলোকৰ কৰ্তৃত্বৰ সীমাৰ ভিতৰত ৰখা আৰু তেওঁলোকৰ কৰ্তব্য সঠিক আইনী পদ্ধতিৰে পালন কৰাটো নিশ্চিত কৰা। উচ্চ ন্যায়ালয়ৰ অধীনস্থ আদালত বা ন্যায়াধিকৰণৰ অধিকাৰক্ষেত্ৰৰ সীমাৰ ভিতৰত কৰা সকলো ধৰণৰ ভুল সিদ্ধান্ত শুধৰণি কৰাৰ কোনো সীমাহীন বিশেষাধিকাৰ নাই। উচ্চ ন্যায়ালয়ৰ, আদালত বা ন্যায়াধিকৰণৰ আদেশত হস্তক্ষেপ

*কৰাৰ প্ৰয়োজন তেতিয়াহে হয় যেতিয়া ন্যায়ালয়ৰ হস্তক্ষেপ অবিহনে কোনো গুৰুতৰ অন্যায়ৰ শুধৰণি নোহোৱাকৈয়ে থাকিব পাৰে। এইটোও নিৰ্ণয় কৰা হৈছে যে উচ্চ ন্যায়ালয়ে এই অনুচ্ছেদৰ অধীনত কাম কৰাৰ সময়ত আপীল আদালত হিচাপে নিজৰ ক্ষমতা প্ৰয়োগ কৰিব নোৱাৰে বা ভুল এটা শুধৰাবলৈ অধীনস্থ আদালতৰ সিদ্ধান্তৰ ঠাইত নিজৰ সিদ্ধান্ত প্ৰদান কৰিব নোৱাৰে, ৰেকৰ্ডত স্পষ্ট ভাৱে থকা ভুলৰ ক্ষেত্ৰতহে ই হস্তক্ষেপ কৰিব পাৰে। উচ্চ ন্যায়ালয়ে নিম্ন আদালত বা ন্যায়াধিকৰণৰ তথ্যসমূহ বাতিল বা অৱজ্ঞা কৰিব পাৰে যদিহে সেই তথ্যসমূহ প্ৰমাণৰ দ্বাৰা সম্পূৰ্ণৰূপে সমৰ্থিত নহয় বা ইমানেই অযুক্তিকৰ হয় যে কোনো যুক্তিবাদী ব্যক্তিয়ে সম্ভৱতঃ এনে সিদ্ধান্তত উপনীত হ'ব নোৱাৰে।"*

১০. এই গোচৰটোত এই ন্যায়ালয়ে মতপোষণ কৰিছে যে ১৪.১১.২০২৩ তাৰিখৰ প্ৰত্যাহ্বান জনোৱা আদেশটোত উল্লেখ কৰা কাৰণসমূহ যুক্তিসংগত আৰু গ্ৰহণযোগ্য আৰু উক্ত কাৰণসমূহ সলনি কৰাৰ কোনো প্ৰয়োজন নাই।

১১। সেই অনুসৰি আবেদনখন খাৰিজ কৰা হয়।

**ন্যায়াধীশ**

মোকাবিলা সহায়ক

--------------------------------

*অনুবাদক-কংকনা বৰা, জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গুৱাহাটী উচ্চ ন্যায়ালয়*

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।“